# 2020

## ELECTIVE ASSAMESE

Paper : 6.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা : ১×১০=১০

(ক) ‘‘অয়ে দাৰুক, সত্বৰে ৰথ আনহ্। কুণ্ডিনক চলিকহু এতিক্ষনে জাঞু।’’ কথাষাৰ কোনে কৈছিল?

(খ) ‘বিশ্বৰূপ দৰ্শন’ পাঠটো ক’ৰ পৰা লোৱা হৈছে?

(গ) ‘ৰামৰ বন গমন’ পাঠটো ‘ৰামায়ণ’ৰ কোনটো কাণ্ডত আছে?

(ঘ) ‘ত্রিপুৰাত মদন পূজাৰ আড়ম্বৰ আৰু মোট খেলাৰ কৌতুক’ পাঠটোৰ লেখক কোন?

(ঙ) হেমচন্দ্ৰ বৰুৱাৰ পিতৃৰ নাম কি আছিল?

(চ) হেমচন্দ্ৰ বৰুৱাৰ ‘অসমীয়া ভাষাৰ ব্যাকৰণ’ কিমান চনত প্ৰকাশ পাইছিল?

(ছ) "সেইধাৰ মোৰ ডিঙিৰ সোণৰ শিকলি" বুলি বৰবৰুৱাই কোনখন নৈৰ কথা কৈছিল?

(জ) *Divina Commedia* কোনে লিখিছিল?

(ঝ) 'কৰুণ ৰস' কোনটো স্থায়ীভাৱৰ পৰা উত্তৱ হয়?

(ঞ) ভৰত মুনিয়ে 'নাট্যশাস্ত্র'ত কেইবিধ ৰসৰ উল্লেখ কৰিছিল?

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) "হে গুৰু, তুহু পাঠ কৰহ, হামু শুনিয়ে ৰহু।" বুলি কোনে, কাক কৈছিল?

(খ) "তুমি সূৰ্য্যবংশৰ শিৰোমণি হুয়া জেবে সত্য চড়াহ, উপৰি বংশ সমে তেবে নৰকে ভুঞ্জিবা।" বুলি কোনে, কাক উদ্দেশ্যি কৈছিল?

(গ) বৰবৰুৱাই 'মোৰ গামখাৰুযোৰ' বুলি কোন দুখন নৈৰ কথা কৈছিল?

(ঘ) সাহিত্যত কৰুণ ৰসক কি দুটা ভাগত ভাগ কৰা হৈছে?

(ঙ) বেজবৰুৱাৰ দুখন ধেমেলীয়া নাটৰ নাম লিখা।

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ৰুক্মিণীয়ে কাৰ হাতত কৃষ্ণলৈ পত্ৰ দি পঠিয়াইছিল আৰু তেওঁ কৃষ্ণৰ দৰ্শন পোৱাৰ পিছত কি কৈছিল, নিজৰ ভাষাত লিখা।

(খ) 'ৰামৰ বন গমন'ত লক্ষ্মণৰ চৰিত্ৰটো কিদৰে চিত্ৰিত হৈছে, লিখা।

(গ) ভট্টদেৱৰ গদ্যৰ পাঁচটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঘ) 'আত্মজীৱন চৰিত'ত হেমচন্দ্ৰ বৰুৱাই বিধবা বিবাহৰ সপক্ষে কি যুক্তি আগবঢ়াইছে, লিখা।

(ঙ) তোমাৰ পাঠ্যৰ আধাৰত বাণীকান্ত কাকতিৰ গদ্যৰীতি সম্পৰ্কে চমুকৈ লিখা।

(চ) "ভগৱান কৃষ্ণৰ প্ৰতি ভক্তৰ ৰতি পাঁচভাৱে প্ৰকাশ পায়।" এই পাঁচভাৱৰ পৰা কি পাঁচ প্ৰকাৰ ভক্তি ৰসৰ সৃষ্টি হয়, লিখা।

৪। (ক) 'শ্ৰীকৃষ্ণৰ পূৰ্বৰাগ' পাঠটো ক'ৰ পৰা লোৱা হৈছে? ইয়াত বৰ্ণনা কৰা কথাখিনি নিজৰ ভাষাত লিখা। ১+৯=১০

*অথবা*

(খ) 'বিশ্বৰূপ দৰ্শন' অধ্যায়টো ক'ৰ পৰা লোৱা হৈছে? শ্ৰীকৃষ্ণৰ বিশ্বৰূপৰ বৰ্ণনা পাঠটোত কেনেদৰে দিছে? ১+৯=১০

৫। (ক) 'ৰামৰ বন গমন' পাঠটোৰ আধাৰত ৰঘুনাথ মহন্তৰ গদ্যৰীতি সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

(খ) 'ত্ৰিপুৰাত মদন পূজাৰ আড়ম্বৰ' পাঠটোত থকা মোট খেলাৰ বৰ্ণনাখিনি নিজৰ ভাষাত দিয়া।

৬। (ক) ‘বৰবৰুৱাৰ বিমান বিহাৰ’ পাঠটোৰ আধাৰত বেজবৰুৱাৰ অসম প্ৰীতি কিদৰে প্ৰকাশ পাইছিল, নিজৰ ভাষাত লিখা। ১০

*অথবা*

(খ) ‘আত্মজীৱন চৰিত’ পাঠটোৰ পৰা হেমচন্দ্ৰ বৰুৱাৰ শিক্ষা আৰু সাহিত্য জীৱন সম্পৰ্কে যিখিনি জানিব পাৰি, লিখা।

৭। (ক) ‘সাহিত্যত করুণ ৰস’ প্ৰবন্ধটোত লিখকে করুণ ৰসকে আটাইতকৈ মধুৰ ৰস বুলি প্ৰতিপন্ন কৰিবলৈ কিদৰে চেষ্টা কৰিছে, লিখা। ১০

*অথবা*

(খ) অঙ্কীয়া নাটৰ ৰস সম্পৰ্কে প্ৰবন্ধকাৰে কোৱা কথাখিনি নিজৰ ভাষাত লিখা।

★★★